# REGIONAL NEWS UNIT

## AKASHVANI, GUWAHATI

0000000000

**Date :** 04-Oct.-2025

**Time :** 1845 HRS

## *Assamese Evening Bulletin*

### Headlines

--------------------

০০০০০

১। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ অধ্যক্ষতাত ন্যায়িক আয়োগ গঠন।

২। গৰিমা গাৰ্গক অৰ্পণ কৰা জি এম চি এইচত জুবিন গাৰ্গৰ দ্বিতীয়টো মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন, তদন্ত নিয়াৰিকৈ সম্পন্ন হোৱাৰ স্বাৰ্থত শ্ৰীমতী গাৰ্গৰ পুনৰ আৰক্ষীক দাখিল।

৩। মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ অধীনত বিশ্বনাথৰ ৩৮ হাজাৰ হিতাধিকাৰীক মুখ্যমন্ত্ৰীৰ চেক বিতৰণ। পাভৈত পঞ্চম অসম কামাণ্ডো বেটেলিয়নৰ শিবিৰ মুকলি।

৪। বিপিএফৰ মুৰববী হাগ্ৰামা মহিলাৰীৰ নেতৃত্বত কোকৰাঝাৰত কাইলৈ নতুন বিটিচি পৰিষদৰ শপত গ্ৰহণৰ প্ৰস্তুতি সম্পূৰ্ণ।

**আৰু**

৫। ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে প্ৰথম টেষ্টত এক ইনিংছ আৰু ১৪০ ৰাণৰ বিশাল ব্যৱধানত ভাৰতৰ জয়লাভ।

০০০০০

ছিংগাপুৰত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনা সন্দৰ্ভত ৰাজ্য চৰকাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ অধ্যক্ষতাত এখন ন্যায়িক আয়োগ গঠন কৰে। ৰাজ্য চৰকাৰে এখন অধিসূচনা যোগে যোৱা নিশা এই বিষয়ে সদৰি কৰিছিল। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তত কোনো ধৰণৰ আপোচ কৰা নহ'ব বুলি অৱগত কৰি তদন্ত আয়োগ গঠনৰ সিদ্ধান্ত সামাজিক মাধ্যমযোগে জানিবলৈ দিছিল।

জি এম চি এইচত কৰা জুবিন গাৰ্গৰ দ্বিতীয়টো মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন আজি আদালতত দাখিল কৰাৰ লগতে শিল্পীগৰাকীৰ পত্নী গৰিমা গাৰ্গক অৰ্পণ কৰা হৈছিল যদিও শ্ৰীমতী গাৰ্গে সেয়া আৰক্ষীক ওভতাই দিয়ে। তদন্ত নিয়াৰিকৈ সম্পন্ন হোৱাৰ স্বাৰ্থত এই প্ৰতিবেদন আৰক্ষী আৰু আদালতৰ ওচৰত থকা উচিত বুলি তেওঁ অনুভৱ কৰাৰ কথা সাংবাদিকৰ আগত ব্যক্ত কৰে। তেওঁ লগতে এই ঘটনাৰ ন্যায় বিচাৰ দাবী কৰে।

**বাইট**

এছ্ আই টিয়ে আজি গৰিমা গাৰ্গ আৰু জুবিন গাৰ্গৰ ভগ্নী পামী বৰঠাকুৰৰ ভাষ্য গ্ৰহণ কৰে। তদন্তকাৰী বিষযা মৰমী দাসে তেওঁলোকৰ ভাষ্য গ্ৰহণ কৰে। এই ঘটনা সন্দৰ্ভত আজি এছ্ আই টিয়ে জুবিন গাৰ্গৰ সহশিল্পী ছুইটি দাস আৰু সাংবাদিক প্ৰণয় বৰদলৈৰো ভাষ্য গ্ৰহণ কৰে। ইতিমধ্যে এই ঘটনা সন্দৰ্ভত গ্ৰেপ্তাৰ কৰা শেখৰ জ্যোতি গোস্বামী, অমৃতপ্ৰভা মহন্তৰ লগতে মূল অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক বিশেষ তদন্তকাৰী গোটে সোধাপোছা অব্যাহত ৰাখিছে। ইয়াৰ লগতে ছিংগাপুৰত জুবিন গাৰ্গৰ সৈতে একেলগে সাগৰলৈ যোৱা আছাম এছ'চিয়েছনৰ ১১ জন সদস্যক অহা ৬ অক্টোবৰৰ ভিতৰত হাজিৰ হ'বলৈ বিশেষ তদন্তকাৰী গোটে জাননী জাৰি কৰিছে।

ইপিনে, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই ঘটনা সন্দৰ্ভত যিকোনো তথ্য এতিয়াৰে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিব বুলি উল্লেখ কৰে তেওঁ কয় যে ৰাজ্যৰ জটিল পৰিবেশত মুখ্যমন্ত্ৰীয়ে ৰাইজৰ সৈতে পোনপটীয়াকৈ যোগাযোগ কৰা উচিত। সংবাদ মাধ্যমে এই বিষয়ক লৈ উত্থাপন কৰা প্ৰশ্নসমূহৰ উত্তৰো মুখ্যমন্ত্ৰী ফেচবুক লাইভৰ জৰিয়তে দি যাব বুলি তেওঁ আজি বিশ্বনাথ ভ্ৰমণ কালত্য ব্যক্ত কৰে।

বাইট (চি এম)

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ অংশ হিচাপে বিশ্বনাথ জিলাৰ ৩৮ হাজাৰ হিতাধিকাৰিলৈ ১০ হাজাৰ টকাকৈ চেকযোগে বিতৰণ কৰে। বিশ্বনাথ সমষ্টিৰ প্ৰায় ৩৫ হাজাৰ গৰাকী আৰু বিহালী সমষ্টিৰ ৩ হাজাৰ গৰাকী গ্ৰামাঞ্চল আৰু নগৰ অঞ্চলৰ হিতাধিকাৰীক এই চেক বিতৰণ কৰা হয়। ৰাজ্য চৰকাৰে মহিলাসকলৰ উদ্যমিতা বিকাশৰ বাবে এই আঁচনিৰ জৰিয়তে ৩ হাজাৰ ৩৮ কোটি টকা ব্যয়ৰ লক্ষ্য লৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। আজিৰ অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ ৪০ লাখ আত্মসহায়ক গোটৰ ৮ মহিলা লাখপতি হ'বলৈ সমৰ্থ হৈছে। বেংকসমূহৰ পৰা ঋণ লাভ কৰা ৯৯ শতাংশ আত্মসহায়ক গোটৰ মহিলাই বেংকৰ ঋণ ঘূৰাই দিছে বুলিও মুখ্যমন্ত্ৰীয়ে আজিৰ সভাতে প্ৰকাশ কৰে।

**বাইট**

মুখ্যমন্ত্ৰীয়ে আজি বিশ্বনাথৰ অসম-অৰুণাচল সীমান্তৰ পাভৈত পঞ্চম অসম কমাণ্ডো বেটেলিয়নৰ শিবিৰ মুকলি কৰে। ২০২২ চনত মুখ্যমন্ত্ৰীয়ে এই শিবিৰৰ আধাৰশিলা স্থাপন কৰিছিল। অসম আৰক্ষীৰ কামাণ্ডো বেটেলিয়নক অধিক সক্ৰিয় কৰিবলৈ ৰাজ্যৰ পাঁচখন জিলাত এনেধৰণৰ শিবিৰ স্থাপন কৰিবলৈ লোৱা সিদ্ধান্তমৰ্মে বিশ্বনাথ জিলাত এই শিবিৰ মুকলি কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। ৪০০গৰাকী বেটেলিয়ন থাকিব পৰাকৈ এই অত্যাধুনিক শিবিৰটোত ভালেমান সা-সুবিধা ৰখা হৈছে। ২১৮ বিঘা ভূমিত ১৭৭ কোটি টকা ব্যয়

সাপেক্ষে নিৰ্মাণ কৰা এই শিবিৰত হেলিপেড, পেৰেড গ্ৰাউণ্ড, সমূহীয়া কেন্দ্ৰ, কম্পিউটাৰ লেব, বিদ্যালয়, চিকিৎসালয়, শ্বুটিং ৰেঞ্জ আৰু অগ্নিনিৰ্বাপনৰ ব্যৱস্থা ৰখা হৈছে। আজিৰ অনুষ্ঠানত মন্ত্ৰী অশোক সিংহাল, সাংসদ ৰঞ্জিত দত্ত, অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিঙকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

বৰ্তমান ৰাজ্যৰ এটা প্ৰধান সমস্যা হৈছে, বান্দৰ বিভীষিকা। উজনিৰ পৰা নামনিলৈ চহৰ-নগৰ সকলোতে বান্দৰৰ উপদ্ৰৱে জনতাক ত্ৰাহি মধুসুদন সোঁৰৰাইছে। কপিকূলে খেতি তহিলং কৰাৰ ফলস্বৰূপে জনতাৰ অৰ্থনীতিও বিপৰ্য্যস্ত হৈছে। বিভিন্ন সময়ত ৰাইজে চৰকাৰৰ ওচৰত আবেদন-নিবেদন কৰিছে যদিও এই পৰ্যন্ত সুফল লাভ কৰা নাই। এই সমস্যা সম্পৰ্কে কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাত বিশেষভাৱে আলোকপাত কৰা হ'ব। অনুষ্ঠানত যোৰহাট, নগাঁও আৰু বজালী জিলাৰ ভুক্তভোগীয়ে মতামত ব্যক্ত কৰিব। অনুষ্ঠানটিৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

বিপিএফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে কাইলৈ কোকৰাঝাৰৰ বিটিচি সচিবালয় খেলপথাৰত আয়োজিত অনুষ্ঠানত বিটিআৰৰ নতুন মুখ্য কাৰ্যবাহী সদস্যৰূপে শপতগ্ৰহণ কৰিব। শপতগ্ৰহণ অনুষ্ঠানৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ লগতে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই শপত গ্ৰহণ অনুষ্ঠানত অংশ লোৱাৰ কথা। মুখ্য সচিব ডঃ ৰবি কোটাই বিটিচিৰ কাৰ্যবাহী পৰিষদৰ নৱনিৰ্বাচিত সদস্যসকলক শপত বাক্য পাঠ কৰোৱাব। দিনৰ ১১ বজাৰ পৰা এই শপত গ্ৰহণ অনুষ্ঠান অনুষ্ঠিত হ'ব।

উল্লেখযোগ্য যে, বি টি চিৰ সৰ্বাংগীন বিকাশৰ স্বাৰ্থত এন ডি এৰ অংশীদাৰী দল হ'ব বুলি শ্ৰীমহিলাৰীয়ে প্ৰকাশ কৰিছে। কিন্তু ইয়াৰ বাবে ইউ পি পি এলৰ সৈতে এন ডি এৰ সম্পৰ্ক ৰহিত হোৱাৰ চৰ্ত আৰোপ কৰিছে। এই চৰ্তই ৰাজ্যৰ ৰাজনৈতিক প্ৰেক্ষাপটত তাৎপৰ্যপূৰ্ণ ভূমিকা পালন কৰাৰ সম্ভাৱনা দেখা দিছে। শ্ৰীমহিলাৰীৰ শপতগ্ৰহণ অনুষ্ঠানৰ প্ৰথম পৰ্যায়ত ১০ গৰাকী পাৰিষদে বি টি চিৰ কাৰ্যবাহী সদস্য হিচাপে শপত গ্ৰহণ কৰিব। তেওঁ পৰিষদ গঠনৰ পাছত ভূমিহীন বৈধ নাগৰিকক ভূমিপত্তা প্ৰদানত গুৰুত্ব আৰোপ কৰিব বুলিও উল্লেখ কৰে। বি টি চিৰ নতুন পৰিষদীয় চৰকাৰৰ মুৰব্বীৰ কাইলৈ শপত গ্ৰহণ অনুষ্ঠান সন্দৰ্ভত এয়া কোকৰাঝাৰৰ আমাৰ সংবাদদাতা প্ৰীতম ব্ৰহ্ম চৌধুৰী- **(বাইট)**

০০০০০

কেন্দ্ৰীয় চৰকাৰৰ জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ে ৰূপায়ণ কৰা আদি কৰ্মযোগী অভিযান ৰাজ্যৰ বিভিন্ন জিলাত ৰূপায়ণ কৰা হৈছে। সেৱা, নিষ্ঠা আৰু সংকল্প নীতিৰ দ্বাৰা পৰিচালিত এই অভিযানৰ জৰিয়তে সমগ্ৰ দেশৰ ৩০খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ১ লাখ জনজাতীয় গাঁও, ৩ হাজাৰ উন্নয়ন খণ্ড আৰু ৫৫০খন জিলাক সামৰি লোৱা হৈছে। ইয়াৰ দ্বাৰা জনজাতীয় অঞ্চলত ৰূপান্তৰ সাধনৰ বাবে ২০ লাখ জনজাতীয় কেডাৰ সৃষ্টি কৰাৰ লক্ষ্য লোৱা হৈছে। যোৰহাট জিলাতো এই অভিযান ৰূপায়ণ কৰা হৈছিল। জিলাখনৰ ৩০খন জনজাতীয় গাঁও চিনাক্ত কৰি এই কাৰ্যসূচী লোৱা হৈছে। ইয়াৰ অংশ হিচাপে যোৰহাট চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বালক বিদ্যালয়ত তিনিদিনীয়াকৈ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। জিলাখনৰ পাঁচগৰাকী

বিষয়াই এই প্ৰশিক্ষণত অংশ লৈ কৰ্মচাৰীসকলক প্ৰশিক্ষণ দিয়ে। তদুপৰি যোৰহাট জিলাৰ বিভিন্ন জনজাতীয় গাঁও এই অভিযানৰ অধীনত কৰ্মশালা অনুষ্ঠিত হৈছে। জিলাখনৰ উত্তৰ-পশ্চিম উন্নয়ন খণ্ডৰ ১৬খন, পূব টীয়কৰ তিনিখনকে ধৰি ৩০খন গাঁওসভা অনুষ্ঠিত হৈছে বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০০

কাছাৰৰ বৰখলা বিধানসভা সমষ্টিৰ অন্তৰ্গত শিলকুৰিত সমাজ কল্যাণ বিভাগৰ অধীনত আজি ৱৰ্কিং ৱ'মেন হোষ্টেল নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰা হয়। বৰাক উপত্যকা উন্নয়ন বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে ৮ কোটি ৪০ লাখ টকা ব্যয় সাপেক্ষ হোষ্টেলখনৰ আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে আয়োজিত এটা অনুষ্ঠানত শিলচৰৰ সাংসদ পৰিমল শুক্লবৈদ্য, জিলা আয়ুক্ত মৃদুল যাদৱ, ভাৰপ্ৰাপ্ত সমাজ কল্যাণ বিষয়া দীপা দাসসহ আন আন বিভাগীয় ব্যক্তিসকলো উপস্থিত থাকে। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰী কৌশিক ৰায়ে কয়, যে ৱৰ্কিং ৱ'মেন হোষ্টেল নিৰ্মাণ হ'লে বিভিন্ন বিভাগত কৰ্মৰত মহিলাসকল বহু পৰিমাণে উপকৃত হ'ব।

০০০০০

ধেমাজি জিলাৰ ৩৭ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি উদযাপন কৰা হয়। জিলা প্ৰশাসনৰ সৌজন্যত ধেমাজি ৰাজহুৱা প্ৰেক্ষাগৃহত আয়োজিত দিৱসৰ মূল কাৰ্যসূচীত মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে অংশগ্ৰহণ কৰে। নিজৰ ভাষণত মন্ত্ৰীগৰাকীয়ে শিক্ষা, স্বাস্থ্য, কৃষিকে ধৰি সকলো দিশতে জিলাখনে অগ্ৰগতি লাভ কৰিছে বুলি প্ৰকাশ কৰে। সম্প্ৰতি জিলাখন বান সমস্যাৰ পৰা প্ৰায় মুক্ত হোৱাৰ ফলত আন্তঃগাঁথনি আৰু যাতায়তৰ ক্ষেত্ৰত উন্নত হৈছে বুলি তেওঁ উল্লেখ কৰে। তেওঁ সকলোকে এখন স্বচ্ছ আৰু পৰিচ্ছন্ন ধেমাজি গঢ়াৰ দিশত অগ্ৰসৰ হ'বলৈ আহ্বান জনায়।

০০০০০

গোৱালপাৰা জিলাক নিচামুক্ত জিলা হিচাপে গঢ় দিবলৈ জিলা সমাজ কল্যাণ বিভাগে আজি সজাগতা ৰথ যাত্ৰাৰ শুভাৰম্ভ কৰে। জিলা আয়ুক্ত কাৰ্য্যালয়ৰ পৰা উলিওৱা সজাগতা ৰথ যাত্ৰাৰ পতাকা জোকাৰি জিলা আয়ুক্ত প্ৰদীপ টিমুং আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষক নৱনীত মহন্তই মুকলি কৰে। এই কাৰ্য্যসূচীৰ জৰিয়তে জিলাখনৰ বিভিন্ন প্ৰান্তত নিচাযুক্ত দ্ৰব্য সেৱনৰ পৰা হ'ব পৰা বিপদৰ বিষয়ে ৰাইজক সজাগ কৰা হ'ব।

০০০০০

যোৰহাট জিলাৰ মৰিয়নি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে আজি জাজী নৈৰ বাঢ়নি পানীয়ে সৃষ্টি কৰা বান পৰস্থিতিৰ বুজ লয়। বিধায়কগৰাকীয়ে কেইবাটাও বানপীড়িত অঞ্চলো পৰিদৰ্শন কৰি বানত ক্ষতিগ্ৰস্ত লোকৰ মাজত সাহায্য সামগ্ৰী বিতৰণ কৰে।

০০০০০

সামাজিক মাধ্যমে অনা পৰিৱৰ্তন আৰু সমাজ সন্দৰ্ভত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত এটি বিশেষ দৃষ্টিপাত প্ৰচাৰ কৰিব। সমাজকৰ্মী অৰ্চনা বৰঠাকুৰ আৰু অধিবক্তা নন্দিতা তালুকদাৰে এই অনুষ্ঠানত অংশ ল'ব। অনুষ্ঠানটোৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

০০০০০

ভাৰতে আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথম টেষ্টত ৱেষ্ট ইণ্ডিজক এক ইনিংছ আৰু ১৪০ ৰানত পৰাস্ত কৰে। আলহী দলটোক প্ৰথম ইনিংছত ১৬২ ৰানতে অলআউট কৰাৰ পাছত ভাৰতে কে এল ৰাহুল, ৰবীন্দ্ৰ জাদেজা আৰু ধ্ৰুৱ জুৰেলৰ শতকৰ সহায়ত পাঁচ উইকেটৰ বিনিময়ত ৪৪৮ ৰান কৰা অৱস্থাত প্ৰথম ইনিংছ ঘোষণা কৰে আৰু প্ৰথম ইনিংছৰ আধাৰত ২৮৬ ৰানৰ অগ্ৰগতি লাভ কৰে। প্ৰত্যুত্তৰত ৱেষ্ট ইণ্ডিজে ১৪৬ ৰানত দ্বিতীয় ইনিংছ সামৰে। শৃংখলাৰ দ্বিতীয়খন খেল ১০ অক্টোবৰৰ পৰা দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

ooooo

অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে খেলিবলগীয়া তিনিখন এদিনীয়া আৰু পাঁচখনীয়া টি-২০ খেলৰ বাবে বি চি চি আয়ে ১৫-জনীয়া ভাৰতীয় দল ঘোষণা কৰিছে। ১৯ অক্টোবৰৰ পৰা ভাৰতে শুভমন গীলৰ নেতৃত্বত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে তিনিখন এদিনীয়া খেল খেলিব। একেদৰে সূৰ্য কুমাৰ যাদৱৰ নেতৃত্বত ২৯ অক্টোবৰৰ পৰা পাঁচখন টি-২০ খেলত অৱতীৰ্ণ হ'ব। এদিনীয়া দলটোত ৰোহিত শৰ্মা, বিৰাট কোহলী, শ্ৰেয়াছ আয়াৰ, অক্ষৰ পেটেল, কে.এল ৰাহুল, নিতিশ কুমাৰ ৰেড্ডী, ৱাশ্বিংটন সুন্দৰ, কলদীপ যাদৱ, হৰ্ষিত ৰাণা, মহম্মদ চিৰাজ, অৰ্শ্বদীপ সিং, প্ৰসিদ্ধ কৃষ্ণা, ধ্ৰুৱ জুৰেল আৰু যশস্বী জয়ছ্বালক ৰখা হৈছে।

ooooo

সমাপ্ত